নিয়মীয়া বাৰ্তা দেওবাৰ, ৮ ডিচেম্বৰ ২০২৪

Daruga, 6, Sifumari ৮ পৃষ্ঠাৰ পৰা

# দিছপুৰ কলেজত এনচিচিৰ নৌ দিৱস উদ্‌যাপন

মহানগৰ বাৰ্তা, ৭ ডিচেম্বৰ ঃ দিছপুৰ মহাবিদ্যালয়ৰ ৪৮ অসম নৌ এন চি চি গোটৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত 'ভাৰতীয় নৌ দিৱস ২০২৪ তথা ১৯৭১ ভাৰত-পাক যুদ্ধৰ বীৰ সৈনিকৰ সম্বৰ্ধনা অনুষ্ঠান' উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ নৌ-সেনানীক সন্মান আৰু সম্বৰ্ধনা জনোৱা হয়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় সেনাৰ উচ্চপদস্থ বিষয়া ব্ৰিগেডিয়াৰ অজিত কুমাৰ বৰা, গ্ৰুপ কমাণ্ডাৰ, গুৱাহাটী এনচিচি গ্ৰুপ, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে কমাণ্ডাৰ কমলেশ চন্দ্ৰ চৌধুৰী। উক্ত অনুষ্ঠানটি আঁত ধৰে মহাবিদ্যালয়ৰ এন চি চি গোটৰ চিটিঅ'দ্বয় সুতীব্ৰ মালাকাৰ আৰু ছেৰলিন ইংজাইপিয়ে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লেফটেনেণ্ট কমাণ্ডাৰ দেৱানন্দ দলে। অনুষ্ঠানৰ স'তে সংগতি ৰাখি যি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল তাত ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ সেনানী লক্ষ্মী গগৈদেৱক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আদৰণী ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানটিত প্ৰতিগৰাকী অতিথিয়ে নৌ-দিৱসৰ তাৎপৰ্য আৰু সমাজত এন চি চিৰ প্ৰায়োগিক দৃষ্টিভংগী সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়ায়।